# কবিতাই কেনেদৰে কাম কৰে?

# অন্তৰ্নিহিত ভাবৰ গভীৰতালৈ যাত্ৰা



**কবিতাৰ** কাম কি অথবা কবিতা ৰচনাৰ প্ৰয়োজনীয়তা কি, সাহিত্য আলোচনাত এনে প্ৰশ্নই সততে ভুমুকি মাৰে। সাধাৰণ লোকৰ মনতো কবিতা সম্পৰ্কে এনে প্ৰশ্ন জাগ্ৰত হয়। বিশেষকৈ আধুনিক কবিতাৰ অৰ্থ উলিওৱাটো বহু পৰিমাণে জটিল হোৱাৰ পৰিপ্ৰেক্ষিতত কবিতা সম্পৰ্কে অনেক নেতিবাচক চৰ্চাও হয়।

সমুদ্ৰপৃষ্ঠলৈ যাত্ৰা কৰা এজন ব্যক্তি অথবা স্কুবা ডাইভাৰে যিদৰে সমুদ্ৰৰ অতল গভীৰতালৈ যাত্ৰা কৰে অথবা সঁচা প্ৰেমিক-প্ৰেমিকাই প্ৰেমৰ যি গভীৰ অন্বেষণত ব্ৰতী হয়, তাৰ স'তে কবিতাৰ সামঞ্জস্য আছে নেকি? ইয়াৰ জৰিয়তে বুজাব বিচৰা হৈছে যে কবিতা বিশেষকৈ আধুনিক কবিতাৰ সাৰমৰ্ম উদ্ধাৰৰ উদ্দেশ্যে স্কুবা ডাইভাৰে সমুদ্ৰৰ অতল গভীৰতালৈ যাত্ৰা কৰাৰ দৰে পঢ়ুৱৈয়ে শব্দৰ অন্তৰ্নিহিত ভাবত বুৰ যাব লাগিব। যিদৰে স্কুবা ডাইভিঙতো কিছু নিয়মাৱলী, অনুশীলন আৰু প্ৰস্তুতিৰ প্ৰয়োজন, তেনেদৰে কবিতাৰ সাৰমৰ্ম উদ্ধাৰৰ বাবেও অধ্যয়ন আৰু অনুশীলনৰ প্ৰয়োজন। কিন্তু কবিতা সম্পৰ্কে কৰা এনেবোৰ আলোচনা অৰ্থহীন শব্দৰ সমাহাৰ নেকি? এনে প্ৰশ্নও বহুতৰ মনত গা কৰি উঠিব পাৰে। কিন্তু এই কথা মানি ল'ব লাগিব যে কবিয়ে কেতিয়াও অনুঘাটিত বিষয়ক লৈ ব্যস্ত নাথাকে। প্ৰকৃততে কবিয়ে আৱেগ, অনুভূতি, ভাব আৰু আত্মাৰ বিষয়েও ক'ব পাৰে। যাৰ স'তে প্ৰতিজন ব্যক্তিৰে সম্পৰ্ক থাকে। সাম্প্ৰতিক সময়ৰ দুজন বিখ্যাত কবি ৰবাৰ্ট হাছ আৰু লুইছ গ্লাকৰ কথাই উদাহৰণস্বৰূপে লোৱা হওক। এই দুয়োগৰাকী কবিয়ে গদ্যৰ মাজেৰেও কাব্যশিল্পৰ গভীৰতালৈ প্ৰৱেশ কৰিছে। ইয়াৰ দ্বাৰা দুয়ো কবিতাৰ এক নিয়ন্ত্ৰকৰ কথা কৈছে। এই নিয়ন্ত্ৰকৰ প্ৰয়োজনীয়তা স্কুবা ডাইভিঙৰ নিয়ন্ত্ৰকৰ দৰে।

কবি হাছৰ 'লিটল বুক অন ফ'ৰ্ম'ক অৱশ্যে কেৱল কবিতাৰ নীতি-নিৰ্দেশনাৰ পুথি বুলি ক'ব নোৱাৰি। অৰ্থাৎ গ্ৰন্থখনত কেৱল কবিতা কেনেদৰে ছন্দবদ্ধ অথবা কবিতা কেনেদৰে ৰচনা কৰা উচিত, তাৰ ব্যাখ্যা কৰা নাই। এই ক্ষেত্ৰত 'লিটল বুক অন ফ'ৰ্ম'ৰ মেৰী কিঞ্জি, জ'ন হ'লেণ্ডাৰ আৰু মেৰী অ'লিভাৰৰ গ্ৰন্থৰ স'তে পাৰ্থক্য আছে। কাৰণ হাছৰ এই গ্ৰন্থ ছ'নেট অথবা চৈধ্য শাৰীৰ কবিতা, শোকমালিতা আদি কেনেদৰে ৰচনা কৰা উচিত, তাৰ ব্যাখ্যাতে সীমাবদ্ধ থকা নাই। ইয়াৰ বিপৰীতে গ্ৰন্থখনৰ জৰিয়তে কবি হাছে কবিতা কেনেদৰে অধ্যয়ন কৰিব লাগে, তাৰহে আভাস পঢ়ুৱৈক দাঙি ধৰিছে। অৰ্থাৎ হাছে এই গ্ৰন্থৰ জৰিয়তে পঢ়ুৱৈক কবিতাৰ অন্তৰ্নিহিত অৰ্থৰ গভীৰতালৈ প্ৰৱেশত সহায় কৰে। কবিতাৰ গঠন কেনেদৰে হ'ব, কাব্যিক বুৰঞ্জী, কবিতা সৃষ্টিৰ শক্তি আদিৰ আভাসক পঢ়ুৱৈক দিয়া হৈছে। গতিকে গ্ৰন্থখনৰ জৰিয়তে এই কথা প্ৰতিপন্ন হয় যে লেখকে নিজৰ পাণ্ডিত্য প্ৰকাশৰ পৰিৱৰ্তে নিজকে অনুশীলনকাৰীৰূপেহে দাঙি ধৰিছে। এই অনুশীলন বিষয়বস্তুগত অনুশীলন। কবিতা সম্পৰ্কে এনে ধাৰণাৰে পৰিপুষ্ট গ্ৰন্থখন তেওঁ পূৰ্ণ কৰিছে। কবিতা সম্পৰ্কে যিমান পাৰি পঢ়ুৱৈক সম্যক ধাৰণা দিয়াৰ প্ৰয়াস কৰা হৈছে। ফলত গ্ৰন্থখন চাৰিশ পৃষ্ঠাৰ এখন বৃহৎ গ্ৰন্থত পৰিণত হৈছে। সেয়েহে নামৰ স'তে গ্ৰন্থখনৰ আকাশ-পাতাল পাৰ্থক্য আছে। দৰাচলতে হাছৰ এই গ্ৰন্থ এখন ব্যতিক্ৰমী গ্ৰন্থ। আন লেখকৰ দৰে তেওঁ কবিতা সম্পৰ্কীয় নিজৰ ধাৰণাকে প্ৰতিফলিত কৰা নাই। সাধাৰণ পঢ়ুৱৈৰ মাজত কবিতাক লৈ সৃষ্ট বিভিন্ন প্ৰশ্নৰ উত্তৰো তেওঁ দিছে। বিশেষকৈ কবিতা কি আৰু কবিতাই কিয় কাম কৰিবলগীয়া হৈছে আৰু কবিতাই কি কৰে ধৰণৰ প্ৰশ্নৰ উত্তৰো তেওঁ দিছে। কাৰণ এনেবোৰ প্ৰশ্নই সাধাৰণ পঢ়ুৱৈৰ মনত ভুমুকি মাৰে আৰু এনে প্ৰশ্নক লৈ পঢ়ুৱৈ বিভ্ৰান্তও হ'ব পাৰে। সেয়েহে তেওঁ সাধাৰণ পঢ়ুৱৈৰ মন কবিতা সম্পৰ্কে এক সুস্পষ্ট ধাৰণাৰে পৰিপুষ্ট কৰি তোলাৰ প্ৰয়াস কৰিছে।

> কবিতাৰ সাজোন হৈছে সংগঠিত বাক্যৰ সমষ্টি। কবিতাত কেনেদৰে চাপে কাম কৰে, তাৰ এক সম্যক ধাৰণা দিয়াৰো চেষ্টা কৰিছে হাছে। এই কথা অনস্বীকাৰ্য যে কবিতাৰ ক্ষেত্ৰত চাপৰ কাম হৈছে কাব্য সাহিত্যৰ সবাতোকৈ বিমোৰত পেলোৱা কাৰিকৰী দিশ।

'লিটল বুক অন ফ'ৰ্ম' গ্ৰন্থখন কে'বাটাও শাৰীৰ কবিতা স্তৱকৰে আৰম্ভ হৈছে। এই স্তৱকসমূহৰ জৰিয়তে বিভিন্ন সংস্কৃতি প্ৰতিফলিত হৈছে। একোটা স্তৱকৰ শাৰীৰ সংখ্যা দীঘল অথবা কম। ইয়াৰ দ্বাৰা তেওঁ বুজাব বিচাৰিছে যে কবিতা একোটাৰ স্তৱকসমূহ চুটি অথবা দীঘল হ'ব পাৰে, তাত কোনো ধৰা-বন্ধা নিয়ম নাই। কেতবোৰ স্তৱক তেওঁ ৰিক্ত পংক্তিৰে আৰম্ভ কৰিছে। ইয়াৰ দ্বাৰা তেওঁ শ্বেক্সপীয়েৰৰ ছনেটক সোঁৱৰণ কৰিছে। কাৰণ বিগত পাঁচশ বছৰ ধৰি ইংৰাজী সাহিত্যিত এনেদৰে কবিতা ৰচনা কৰা হৈছে।

কবি হাছ যে কবিতা সম্পৰ্কীয় গভীৰ জ্ঞানেৰে পৰিপুষ্ট, তাত কোনো সন্দেহ নাই। প্ৰকৃততে তেওঁ কবিতাত গভীৰভাৱে বিলীন হৈ গৈছে। গতিকে তেওঁ কবিতা সম্পৰ্কীয় জ্ঞান বিস্তাৰৰ এক অবিস্মৰণীয় কৰ্তৃত্বত পৰিণত হৈছে। কিন্তু তেওঁৰ এই গ্ৰন্থত হাস্যৰসেও মাজে মাজে ভুমুকি মাৰিছে। বিশেষকৈ যেতিয়া তেওঁ পিণ্ডাৰিক শ্ৰেণীৰ গীতিকাব্যৰ কথা কৈছে। এই শ্ৰেণীৰ গীতিকাব্যক তেওঁ ভৰি বা অংগহীন কাব্য আখ্যা দিছে। কাৰণ গীতিকাব্য ৰচনা কৰোঁতে কঠোৰ নীতি-নিয়মাৱলী মানি চলিব লাগে। তেওঁ ষ্টেইন আৰু অন্যান্যসকলৰ কবিতাক পৰীক্ষণীয় কবিতা আখ্যা দিছে। এই কথা ষ্টেইনেও মানি লৈছে। কাৰণ তেওঁ কৈছে যে কবিতাৰ জৰিয়তে তেওঁ পৰীক্ষাৰ মাজেৰে আৱিষ্কাৰৰ চেষ্টা কৰিছে। এটা কবিতাৰ সাজোন হৈছে সংগঠিত বাক্যৰ সমষ্টি। কবিতাত কেনেদৰে চাপে কাম কৰে, তাৰ এক সম্যক ধাৰণা দিয়াৰো চেষ্টা কৰিছে হাছে। এই কথা অনস্বীকাৰ্য যে কবিতাৰ ক্ষেত্ৰত চাপৰ কাম হৈছে কাব্য সাহিত্যৰ সবাতোকৈ বিমোৰত পেলোৱা কাৰিকৰী দিশ।




হাছৰ এই গ্ৰন্থক ভাওৰ মাজত এখন প্ৰসংগ পুথি বুলিও আখ্যা দিব পাৰি। গ্ৰন্থখনক কবিৰ মনলৈ প্ৰৱেশৰ ক্ষেত্ৰত সাধাৰণ পঢ়ুৱৈয়ে নীতি-নিৰ্দেশনাকাৰীৰূপে গণ্য কৰিব পাৰে। কবিৰ মনলৈ প্ৰৱেশৰ যাত্ৰা পথত গ্ৰন্থখনে পোহৰ পেলাই আগবঢ়াই নিয়ে। এই গ্ৰন্থই দৃশ্যমান কলা আৰু সাহিত্যৰ মাজৰ পাৰ্থক্যও ব্যাখ্যা কৰিছে।

> গ্ৰন্থই দৃশ্যমান কলা আৰু সাহিত্যৰ মাজৰ পাৰ্থক্যও ব্যাখ্যা কৰিছে। হাছৰ মতে, দৃশ্যমান কলা হৈছে স্থায়ী আৰু সাহিত্য হৈছে সাময়িক। এটা কবিতাৰ আৰম্ভণি, মধ্যম অৱস্থা আৰু শেষ থাকে। কিন্তু ভাস্কৰ্যই হওক বা চিত্ৰই হওক, কলাৰ আদি-অন্ত নাথাকে।

হাছৰ মতে, দৃশ্যমান কলা হৈছে স্থায়ী আৰু সাহিত্য হৈছে সাময়িক। এটা কবিতাৰ আৰম্ভণি, মধ্যম অৱস্থা আৰু শেষ থাকে। কিন্তু ভাস্কৰ্যই হওক বা চিত্ৰই হওক, কলাৰ আদি-অন্ত নাথাকে। গতিকে গ্ৰন্থখন কেৱল কবিতা অধ্যয়নৰ ক্ষেত্ৰতে এখন নিৰ্ভৰযোগ্য গ্ৰন্থ নহয়। কলাৰ ক্ষেত্ৰতো গ্ৰন্থখনে এক সংবেদনশীলতাৰ সৃষ্টি কৰিছে।

কবি হিচাপে লুইছ গ্লাকৰ পৰ্যায়ক লৈ বিভিন্নজনে বিতৰ্ক কৰিব পাৰে। কিন্তু গ্লাক হৈছে আমেৰিকাৰ এজন অতি অসাধাৰণ কবি। হাছ অথবা আন পূৰ্বসূৰী কবিসকলৰ দৰে অৱশ্যে গ্লাকে নিয়মিতভাৱে গদ্য ৰচনা কৰা নাই। ইয়াৰ বিপৰীতে তেওঁ এনে পঢ়ুৱৈৰ বাবে সৃষ্টি কৰে, যিসমূহ সৃষ্টিৰ প্ৰতিটো শব্দই কষ্টৰ মাজেৰে আৰ্জিত। এনেবোৰ শব্দ কাচিতহে ব্যৱহাৰ হয়। শব্দৰ অপব্যয়ো কবিয়ে ৰোধ কৰিছে। গতিকে কবি গ্লাকৰ বাবে গদ্য সৃষ্টি জটিল কাম। কিন্তু কবিতা লিখাটোও তেওঁৰ বাবে অত্যন্ত কঠিন কাম। 'আমেৰিকান অ'ৰিজিনেলিটী' হৈছে গ্লাকৰ দ্বিতীয়খন প্ৰবন্ধ সংকলন। গ্ৰন্থখনত ১০টা প্ৰবন্ধ সন্নিৱিষ্ট কৰা হৈছে। ইয়াৰ অধিকাংশ প্ৰবন্ধই সংক্ষিপ্ত। প্ৰবন্ধকেইটাৰ নাম 'অন ৰিয়েলিজম', 'অন ৰিভেঞ্জ' আদিৰ দৰে। গ্ৰন্থখনত আন কে'বাজনো কবিৰ আৰম্ভণিসূচক লেখা প্ৰকাশ পাইছে।

গ্লাকৰ অনুৰাগীসকলৰ মতে, কবিগৰাকীৰ শব্দ ব্যৱহাৰত থকা কঠোৰতাই তেওঁৰ পৰিচয় অথবা ট্ৰেডমাৰ্কৰূপে আখ্যা দিয়ে। কোনো ক্ষেত্ৰতে তেওঁ বাক্যৰ ক্ষেত্ৰত আপোচ কৰা নাই। বিষয়বস্তুৰ ওপৰত তেওঁৰ দৃষ্টি সৰ্বাধিক। অৱশ্যে গ্লাকৰ দৃষ্টিত বিংশ শতিকাৰ আমেৰিকান সাহিত্যৰ পতন হৈছে। বিশেষকৈ আধুনিকতাৰ আহিলা ঘাইকৈ মনোবিশ্লেষণৰ প্ৰয়োগ আদিয়ে বিংশ শতিকাৰ আমেৰিকান সাহিত্যৰ ক্ষয় সাধন কৰা বুলি গ্লাকে বিশ্বাস কৰে। 'কণ্টেমপ'ৰেৰী লিটাৰেচাৰ'ত তেওঁ কৈছে আত্মপৰীক্ষণৰ সাহিত্য হৈছে ইয়াৰ প্ৰতিক্ৰিয়া। আধুনিকতাই মানুহৰ সপোন ব্যাখ্যাৰ চেষ্টা কৰিছে। ই হৈছে কবিতাৰ ভূমি আৰু ইয়াৰ যাদুকৰী ব্যাখ্যা আগবঢ়োৱা হৈছে।

# নেগ্ৰিটিউদৰ হোতা ইৰেলেৰ কথাৰে

**কৃষ্ণাংগ** সাহিত্য আন্দোলনৰ অৰ্থাৎ 'নেগ্ৰিটিউদ'ৰ অন্যতম হোতা ফ্ৰান্সিছ এবিঅ'লা ইৰেলেৰ অলপতে বষ্টনত মহাপ্ৰয়াণ ঘটে। ১৯৩০ৰ পৰা ১৯৪০ৰ সময়ছোৱাত পেৰিচৰ বৌদ্ধিক বাতাবৰণত জন্ম লাভ কৰা নেগ্ৰিটিউদৰ ধাৰণাক সবল কৰি তুলিছিল ইৰেলেই। মূলতঃ পাঁচটা দশকৰো অধিক কাল তেওঁ সাহিত্যিক-বৌদ্ধিক যাত্ৰা এই ধাৰণাৰ বাবে উৎসৰ্গিত কৰিছিল। নাইজেৰিয়াৰ এইগৰাকী বুৎপত্তিসম্পন্ন পণ্ডিত-শিক্ষাবিদ আছিল বিশ্বজুৰি আফ্ৰিকীয় মূলৰ সাহিত্য পণ্ডিতসকলৰ শিৰোমণিস্বৰূপ। ১৯৩৬ৰ ২২ মে'ত নাইজেৰিয়াৰ ওৱাত জন্মগ্ৰহণ কৰা ইৰেলেই ১৯৬০ত ইবাদান বিশ্ববিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। ইয়াৰ পাছতে তেওঁ ফৰাচী ভাষা অধ্যয়নৰ বাবে পেৰিচলৈ যায় আৰু পেৰিচ বিশ্ববিদ্যালয়ৰ পৰা ফৰাচী ভাষাত পি এইছ ডি লাভ কৰে। নাইজেৰিয়াৰ ঘানা, ইথে আৰু ইবাদান বিশ্ববিদ্যালয়ত অধ্যাপকৰূপে কিছুদিন কাৰ্যনিৰ্বাহ কৰাৰ পাছত তেওঁ ১৯৮৯ত আমেৰিকাৰ অহায়' ষ্টেট ইউনিভাৰ্চিটিত অধ্যাপনা কৰিবলৈ লয়। তাত তেওঁ আফ্ৰিকীয়, ফৰাচী আৰু সম-সাময়িক সাহিত্যৰ বিষয়ে শিক্ষাদান কৰে। ফৰাচী ভাষাৰ জৰিয়তে সাংস্কৃতিক পৰিচয় সংৰক্ষণৰ বাবে কৃষ্ণাংগ সাহিত্যিকসকলে জন্ম দিয়া নেগ্ৰিটিউদৰ ধাৰণা প্ৰসাৰিত কৰিবলৈ যৎপৰোনাস্তি কৰিছিল এইগৰাকী পণ্ডিতে। তেওঁৰ মতে নেগ্ৰিটিউদ হৈছে ফৰাচীভাষী কৃষ্ণাংগ বুদ্ধিজীৱীসকলৰ আদৰ্শগত আন্দোলন। ঔপনিবেশিক পৰিস্থিতিৰ প্ৰতি কৃষ্ণাংগসকলৰ প্ৰতিক্ৰিয়াৰ অতি গুৰুত্বপূৰ্ণ আৰু বৈশিষ্ট্যসম্পন্ন দিশ হৈছে নেগ্ৰিটিউদ। এইদৰে তেওঁ ব্যাখ্যা আগবঢ়াইছিল।



ইৰেলেৰ মৃত্যুৰ পাছত বিশ্বৰ বিভিন্ন প্ৰান্তৰৰ পৰা শ্ৰদ্ধাঞ্জলিৰে উপচাই পেলোৱা হৈছে। হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ত অতিথি অধ্যাপকৰূপে কাৰ্যকাল অতিবাহিত কৰা বায়'ডুন জেইফ'ই ইৰেলে বিশ্বৰ ভিতৰতে নেগ্ৰিটিউদৰ মহানতম আৰু অবিসম্বাদী পণ্ডিত বুলি আখ্যা কৰিছে। কেনিয়াৰ প্ৰিন্সষ্টনৰ অধ্যাপক ছাইমন গিকাদিয়ে ইৰেলেক 'ৱাকিং আৰ্কাইভ' অৰ্থাৎ গতিশীল অভিলেখাগাৰ বুলি অভিহিত দিছে। গিকাদিৰ মতে ইৰেলেই তেওঁৰ প্ৰজন্মৰ সাহিত্যিকসকলৰ ভিতৰত সৰ্বাধিক ৰূপত আফ্ৰিকীয় সাহিত্যৰ অধ্যয়নলৈ অৱদান আগবঢ়াইছিল। আফ্ৰিকীয় সাহিত্য অধ্যয়নলৈ ইৰেলেই আনি দিছিল সবল বুদ্ধিমত্তা, বিশ্বজনীন চিন্তাধাৰা আৰু পাণ্ডিত্যপূৰ্ণ কণ্ঠস্বৰ। নাইজেৰিয়াৰ প্ৰখ্যাত কবি নিয়ি অ'ছুন্দাৰেৰ মতে ইৰেলেই হৈছে ব্যক্তি আৰু পণ্ডিত, যিয়ে অহৰহ নিজকে আৰু নিজস্ব ধাৰণাক পুনৰ উদ্ভাৱন কৰিছিল। বয়সত পক ধৰা জ্ঞানৰ ভাণ্ডাৰ আৰু তাৰুণ্যৰ শক্তিৰ সংমিশ্ৰণেৰে ইৰেলে আছিল এগৰাকী কালজয়ী মানৱতাবাদী। তেওঁ আছিল চিৰ তৰুণ। নাইজেৰিয়াৰ আন এগৰাকী পণ্ডিত ৰেমি ৰাজিয়ে ইৰেলেক শিক্ষকসকলৰ শিক্ষাগুৰু বুলি অভিহিত কৰিছে। আমেৰিকান পণ্ডিত কেনেথ হেৰ'ৰ মতে ইৰেলে হৈছে আফ্ৰিকীয় সাহিত্য অধ্যয়নৰ বলিষ্ঠ কণ্ঠ, এজন সহৃদয় মানৱতাবাদী আৰু অন্তৰ্দৃষ্টিসম্পন্ন পণ্ডিত। পণ্ডিতসকলৰ অৰণ্যত ইৰেলে বটবৃক্ষসদৃশ।

১৯৩৬ৰ ঔপনিবেশিক শাসিত নাইজেৰিয়াত জন্মগ্ৰহণ কৰা ইৰেলেৰ লিখনিসমূহ তেওঁ জীৱনৰ প্ৰথম ২৪টা বছৰত সন্মুখীন হোৱা ব্ৰিটিছৰ শাসন কালৰ অভিজ্ঞতাৰ দ্বাৰা প্ৰভাৱিত। তেওঁৰ লিখনিত প্ৰবল ৰূপত উদ্ভাসিত হৈছে আফ্ৰিকীয়বাদ। ইৰেলেৰ লিখনিৰ ভাষা অতি সাৱলীল। এগৰাকী গভীৰ চিন্তাবিদ ইৰেলেৰ লিখনিয়ে মূলতঃ নেগ্ৰিটিউদৰ ওপৰতে আলোকপাত কৰিছিল। এই ধাৰণাৰ দুই অগ্ৰণী ছেনেগালৰ প্ৰথমজন ৰাষ্ট্ৰপতি-কবি লিওপল্ড ছেংহাৰ আৰু মাৰ্টিনিকৰ এমে চুজায়াৰক ইৰেলেই নেগ্ৰিটিউদৰ অন্যতম হোতা বুলি কৈছে। তেওঁৰ মতে নেগ্ৰিটিউদৰ ধাৰণাক সাকাৰ ৰূপ দিছিল চুজায়াৰে। চুজায়াৰক তেওঁ নেগ্ৰিটিউদৰ সেতুবন্ধনকাৰী কবি বুলি অভিহিত কৰিছে। আনহাতে তেওঁৰ মতে ছেংহাৰ হৈছে এই ধাৰণাৰ মহানতম তাত্ত্বিক আৰু দাৰ্শনিক। মন কৰিবলগীয়া যে ছেনেগালৰ ৰাষ্ট্ৰপতি-কবি ছেংহাৰে নেগ্ৰিটিউদক কৃষ্ণাংগসকলৰ সাংস্কৃতিক আৰু আধ্যাত্মিক শক্তিৰূপে অভিহিত কৰিছে। একে সময়তে ইৰেলেই নেগ্ৰিটিউদৰ ধাৰণাক প্ৰসাৰ কৰাৰ ক্ষেত্ৰত প্ৰখ্যাত ফৰাচী দাৰ্শনিক জ্যাঁ পল ছাৰ্ত্ৰেৰ ভূমিকাকো স্বীকৃতি প্ৰদান কৰিছে। সকলো কৃষ্ণাংগ লোকৰ আত্মাৰ ঐক্যতান হৈছে নেগ্ৰিটিউদ। এইদৰেই ব্যাখ্যা আগবঢ়াইছে ইৰেলেই। এই আন্দোলনে কৃষ্ণাংগসকলৰ সংস্কৃতিৰ জয়গান গায়। অতীতৰ আফ্ৰিকাৰ বৰ্ণাঢ্য জীৱনলৈ ই এক নষ্টালজিক আলোকপাত আগবঢ়ায় আৰু বিশ্বজুৰি কৃষ্ণাংগসকলৰ সামৰ্থ্য তথা মৰ্যাদাক দৃঢ় কৰি তোলে। এইদৰে বিভিন্ন সময়ত নেগ্ৰিটিউদৰ বিষয়ে কৈছে ইৰেলে। মন কৰিবলগীয়া যে ই ছেংহাৰ আৰু চুজায়াৰৰ ফৰাচী ভাষাৰ প্ৰতি থকা প্ৰেমৰ দৰে ইৰেলেইও ফৰাচী ভাষাক প্ৰাণভৰি ভাল পাইছিল। কিন্তু তেওঁলোক দুয়োৰে বিপৰীতে ইৰেলে অৱশ্যে তেওঁৰ পিতৃপুৰুষৰ ভূমি আফ্ৰিকাৰ পৰম্পৰাগত সংস্কৃতিৰ মাজতো গভীৰভাৱে ডুব গৈছিল। কে'বা দশক ধৰি তেওঁ আছিল নেগ্ৰিটিউদৰ সবাতোকৈ সৰব হোতা। তেওঁ দৃঢ়তাৰে বিশ্বাস কৰিছিল যে নেগ্ৰিটিউদ আৰু এক আফ্ৰিকাবাদে আধুনিক বিশ্বত নতুন আফ্ৰিকীয় পৰিচয় পুনৰ নিৰ্মাণৰ বাবে সবাতোকৈ প্ৰয়োজনীয় আধাৰশিলা হ'ব পাৰে। সেয়েহে তেওঁ এই ধাৰণাক নতুন প্ৰজন্মৰ মাজত বিয়পাবলৈ অহোপুৰুষাৰ্থ কৰিছিল। নতুন প্ৰজন্মৰ পৰিৱেশৰ স'তে ৰজিতা খুৱাই তেওঁ এই ধাৰণাৰ ব্যাখ্যা আগবঢ়াইছিল। অতি শক্তিশালী সাংস্কৃতিক সেঁতু নিৰ্মাতা ইৰেলেই ফৰাচীভাষী কৃষ্ণাংগসকলৰ গদ্য আৰু কবিতা ইংৰাজীভাষী পাঠক-শ্ৰোতাৰ বাবে প্ৰসাৰিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। সীমান্তৰ পৰিধি ভাঙি তেওঁ এই গদ্য-কবিতা প্ৰসাৰিত কৰিছিল। যাৰ বাবে অধ্যাপক বিয়'ডুন জেফিঅ'ই ইৰেলেক তেওঁৰ প্ৰজন্মৰ পৰিধি অতিক্ৰম কৰা মহত্তম ব্যক্তিজন বুলি অভিহিত কৰিছিল।

ইৰেলে প্ৰকৃতাৰ্থত আছিল এগৰাকী নব্য চিন্তাধাৰাৰ ব্যক্তি, বিশ্ব নাগৰিক আৰু বিলাসী জীৱনক ভালপোৱা এজন লোক। অপেৰা, নাটক, সুৰা আৰু উত্তম খাদ্যৰ প্ৰতি আছিল তেওঁৰ আসক্তি। যিদৰে এহাতে তেওঁ আফ্ৰিকাৰ কলা-সংগীতৰ স'তে পৰিচিত আছিল, আনহাতে তেওঁ গ্ৰীক আৰু ৰোমান ধ্ৰুপদী সাহিত্যতো পাণ্ডিত্য অৰ্জন কৰিছিল। মোজাৰ্টৰ সংগীত পৰিবেশন আৰু ডান্টেৰ কবিতা আবৃত্তিতো সমানেই দক্ষ আছিল ইৰেলে। দুটা প্ৰজন্মৰ পণ্ডিতসকলক নেতৃত্ব দিছিল ইৰেলেই। মৃত্যুৰ আগলৈকে তেওঁ সক্ৰিয়ভাৱে কাম কৰি গৈছিল। এইগৰাকী মহান পণ্ডিতৰ স্মৃতিয়ে সদায়ে উদ্ভাসিত কৰি ৰাখিব নেগ্ৰিটিউদৰ ধাৰণাক।

# ৱেষ্ট ইণ্ডিজৰ কবিতা আৰু ডেৰেক ৱালকট

## যাৰ বাবে কবিতা বিচ্ছিন্ন দ্বীপ

**ৱেষ্ট** ইণ্ডিজৰ সাহিত্য বুলি যি ধাৰণা আছে, সেয়া মূলতঃ কেৰিবিয়ান দ্বীপপুঞ্জৰ বিভিন্ন অভিবাসীসকলে কৰা সাহিত্য চৰ্চা। ৱেষ্ট ইণ্ডিজ বুলি কোনো দেশৰ অস্তিত্ব নথকাৰ পৰিপ্ৰেক্ষিততে কেৰিবিয়ান দ্বীপপুঞ্জৰ সমগ্ৰ সাহিত্যক ৱেষ্ট ইণ্ডিজৰ সাহিত্যৰূপে আখ্যা দিয়া হয়। জামাইকা উপকূলৰ উত্তৰ-পূব অঞ্চলৰ প'ৰ্ট এণ্ট'নিঅ' নগৰৰ কবি ডেৰেক ৱালকটে ৱেষ্ট ইণ্ডিজৰ সাহিত্যিকসকলৰ অন্যতম। বহুতৰ বাবে ৱেষ্ট ইণ্ডিজৰ সাহিত্য নতুন বুলিয়ে ধাৰণা হয়। এখন অস্তিত্বহীন দেশ হোৱাৰ পৰিপ্ৰেক্ষিততে বহু সমালোচকে ৱেষ্ট ইণ্ডিজৰ সাহিত্য বুলি ক'লে নতুন বিষয়ৰ স'তে পৰিচয় হোৱা যেন অনুভৱ কৰে। কিন্তু কবি ৱালকট সমালোচকসকলৰ বাবে নতুন নহয়।

কবি ৱালকটৰ কবিতাসমূহৰ মূল বৈশিষ্ট্য হৈছে বাস্তৱৰ নিৰ্মমতাক প্ৰতিফলিত কৰাটো। এই বাস্তৱৰ জৰিয়তে ইতিহাসো প্ৰতিফলিত কৰা হৈছে। অন্য অৰ্থত ক'বলৈ গ'লে ৱালকটৰ কবিতাৰ মাজেৰে অতীত আৰু বৰ্তমানৰ নিৰ্মম বাস্তৱৰ ছবি ফুটি উঠিছে। ঔপনিবেশিক শাসকে বাগিচা স্থাপনৰ বাবে নিয়োগ কৰা শ্ৰমিকৰ দুখ-দুৰ্দশাৰ এখন ছবিও তেওঁৰ কবিতাত অংকিত হৈছে। এই শ্ৰমিকসকলক প্ৰকৃততে দাসৰ দৰে ব্যৱহাৰ কৰা হৈছিল। শ্ৰমিকসকলৰ ওপৰত চলা শোষণ-নিৰ্যাতনৰ ছবিয়ে পঢ়ুৱৈক ব্যথিত কৰি তোলে। শ্ৰমিকসকলৰ ওপৰত চলা নিৰ্যাতন ব্যাখ্যা কৰিবলৈ কবি ৱালকটে শব্দ ব্যৱহাৰতো মিতব্যয়িতাৰ পৰিচয় দাঙি ধৰিছে। ভাঁহি থকা বেতৰ লাঠি— এই শব্দকেইটাৰ জৰিয়তে কেনেদৰে শ্ৰমিকসকলৰ ওপৰত শোষণ-নিৰ্যাতন চলোৱা হৈছিল, তাৰ এক বাস্তৱ ছবি তেওঁ ফুটাই তুলিছে। ভাঁহি থকা বেতৰ লাঠি মানে বাগিচাৰ গৰাকী অথবা বিষয়াই শ্ৰমিকসকলক যিকোনো সময়তে শাস্তি বিহিবলৈ উদ্যত হৈ থকাটো। অৰ্থাৎ কিঞ্চিৎ অবাধ্য হ'লেই এজন শ্ৰমিকক লাঠিৰে নিৰ্মমভাৱে প্ৰহাৰ কৰা হৈছিল। গতিকে ৱালকটৰ কবিতা একে সময়তে মৰ্মস্পৰ্শীও। এনেদৰে বাস্তৱক প্ৰতিফলিত কৰি ৱালকটে ৰচনা কৰা একাংশ কবিতাৰ এখন সংকলনো প্ৰকাশ পাইছে। 'ডেৰেক ৱালকটছ ছিলেক্টেড প'য়েট্ৰী' শীৰ্ষক সংকলনখনৰ এটা কবিতাত কোৱা হৈছে, 'এনে শিলৰ দৰে কঠিন শব্দৰে নিৰ্দেশ দিয়াৰ সময়ত তোমালোক ক'ত আছা? থিয় হৈ থকা মাটি নীলা। ওপৰত বেতৰ লাঠি ভাঁহি আছে।'

কিছুমাহ পূৰ্বে কবি ৱালকটৰ মৃত্যু হয়। বহু সময়ত ৱালকটৰ কবিতাত মিল্টনৰ কবিতাৰ সুৰ ধ্বনিত হৈছে। মিল্টনে যিদৰে পূৰ্বসূৰী ডাণ্টে অথবা আন কালজয়ী কবিসকলৰ নাম কবিতাত উত্থাপন কৰিছিল, তেনেদৰে বহু সময়ত ৱালকটেও মহান কবিৰ প্ৰসংগ উত্থাপন কৰিছিল। তৎসত্ত্বেও ৱালকটৰ কবিতা বাস্তৱৰ পৰা আঁতৰি অহা নাছিল। 'আনাডাৰ লাইফ' নামৰ কবিতাটিত তেওঁ কৈছে, 'গছপাতৰ স'তে সকলো মহাকাব্য উৰি গৈছে। মুগা ৰঙৰ কাগজত কৰা সাৱধানী গণনাৰ স'তে ওলমি ৰৈছে। গছৰ পাতেই হৈছে কেৱল মহাকাব্য।' বাগিচাৰ শ্ৰমিকসকলৰ বাবে যিহেতু চাহ গছৰ পাতেই সকলো, তেওঁলোকৰ বাবে চাহ গছৰ পাতেই যে মহাকাব্যসদৃশ তাকে তীৰ্যক শব্দৰে কবিয়ে বুজাব বিচাৰিছে। আনৰ বাবে আন মহাকাব্য থাকিলেও যিসকল শ্ৰমিকে জীয়াই থকাৰ তাড়নাত বাগিচাত হাড়ভগা শ্ৰম কৰিবলৈ বাধ্য, তেওঁলোকক আন কাব্য-মহাকাব্যৰ শিক্ষা দিয়াটো যে মূল্যহীন সেয়াও ৱালকটৰ কবিতাই ব্যাখ্যা কৰিছে। শাস্তিৰ ভয়ত সন্ত্ৰস্ত হৈ থকা শ্ৰমিকসকলৰ বাবে সন্ত্ৰাসেই সৌন্দৰ্য বুলিও কোৱা হৈছে। অৰ্থাৎ শোষণ-নিষ্পেষণৰ বলি হ'লেও শ্ৰমিকসকলে কোনোদিনে গৰাকীৰ বিৰুদ্ধে মাত মাতিব নোৱাৰিব। গৰাকীৰ ভয়-ভাবুকিত তেওঁলোকে দিন অতিবাহিত কৰিব লাগিব। গতিকে তেওঁলোকৰ বাবে ভয়-ভাবুকি অথবা সন্ত্ৰাসৰ মাজতে সৌন্দৰ্য লুকাই আছে। এনে এক নিৰ্মম বাস্তৱৰ ছবি অংকন কৰোঁতে বহু সময়ত ৱালকটে এলিয়টকো চেৰ পেলাইছে। যন্ত্ৰণাৰ মাজত কাম কৰাটো নিতান্তই দুখৰ বিষয়। ৱালকটে কবিতাত কোৱা গছৰ পাতে আন এক অৰ্থও সূচাইছে, সেয়া হৈছে কেৰিবিয়ান ভূখণ্ডৰ অভিবাসীসকলৰ স্বাভাৱিক আৰ্তনাদ। এই আৰ্তনাদৰ মাজত ভাষাৰ মৰ্যাদাপ্ৰাপ্তিৰ বিষয়টোও লুকাই আছে। এই ক্ষেত্ৰত কবি কিছু পৰিমাণে আত্মসচেতনতাৰ উৰ্ধ্বত উপনীত হৈছে। আত্মসচেতনতা অৱশ্যে বোজা নহয়। ইয়াৰ বিপৰীতে আত্মসচেতনতা হৈছে এক আশীৰ্বাদ। সমালোচক চাৰ্লছ উইলিয়ামছেও মিল্টনৰ আত্মসচেতনতাৰ বিষয়ে লিখিছিল। উইলিয়ামছে মিল্টনৰ বিষয়ে লিখা কথাবোৰ ডাণ্টে অথবা ৱালকটৰ স'তেও ৰজিতা খাই পৰে। অৰ্থাৎ এই তিনিওৰে ক্ষেত্ৰত ক'ব পাৰি যে আত্মসচেতনতাক শান্ত কৰি ৰাখিব পাৰি।



> সাহিত্যৰ ন'বেল বঁটা গ্ৰহণ কৰি দিয়া ভাষণত ৱালকটে কৈছিল, 'কবিতা হৈছে এটা দ্বীপ, যি মূল ভূখণ্ডৰ পৰা আঁতৰি থাকে।' কবিতা সম্পৰ্কে ৱালকট আগবঢ়োৱা এই সংজ্ঞা আজিও সমালোচকসকলৰ চৰ্চাৰ বিষয় হৈ আছে।

ৱালকটৰ কবিতাত আত্মসচেতনতাৰ ব্যাখ্যা আন এক দিশৰ পৰাও কৰিব পাৰি। বিংশ শতিকাৰ অন্তিম দশক তথা একবিংশ শতিকাৰ আৰম্ভণিতে ৱালকটৰ কবিতাই এক সুকীয়া ধৰণে মনক অশান্ত কৰি তোলে। কবি ৱালকটৰ এনে এক সময়ত জন্ম হৈছিল, যি সময়ক ঔপনিবেশিক শাসনৰ নিশ্চল জল বুলি আখ্যা দিয়া হয়। তেওঁৰ জন্ম হয় ১৯৩০ত। জন্মসূত্ৰেই তেওঁ ক্ষয়িষ্ণুতাৰ উত্তৰাধিকাৰী হয়। এনে ক্ষয়িষ্ণুতাক নিঃশেষ কৰি জয়ী হ'ব পৰাটো আছিল তেওঁৰ বাবে এক বৃহৎ প্ৰত্যাহ্বান। এনে জয়ৰ অধিকাৰ এজন ঐশ্বৰিক শক্তিৰ গৰাকীয়েহে হ'ব পাৰে বুলি সকলোৱে বিশ্বাস কৰিছিল। কাৰণ এই যুঁজত জয়ী হ'বলৈ হ'লে সমসাময়িক সময়ৰ সোঁতৰ বিপৰীতে তেওঁ সাঁতুৰিব লাগিব। ইয়াৰ বিপৰীতে তেতিয়াৰ প্ৰায় সকলো সাহিত্যিকেই ঔপনিবেশিক শাসকৰ পক্ষত অৱস্থান কৰিছিল। আচাৰ-আচৰণৰ পৰা ভাষাৰ ব্যৱহাৰৰ লৈকে তেতিয়াৰ কেৰিবিয়ান সাহিত্যিকসকলে ব্ৰিটিছ সাহিত্যিকসকলক অনুকৰণ কৰিছিল। ১৯৬৪ত ৰবাৰ্ট গ্ৰেব্‌ছে কবি ৱালকটক প্ৰশংসা কৰিছিল। ইয়াৰ কাৰণ আছিল ৱালকটে সমসাময়িক সাহিত্যিকসকলৰ ব্যতিক্ৰম হিচাপে নিজকে প্ৰতিষ্ঠা কৰি এক সুকীয়া ধৰণেৰে সাহিত্য চৰ্চা কৰিছিল। তেওঁৰ কবিতা অথবা আন সাহিত্যতো শব্দৰ অন্তৰ্নিহিত অৰ্থত অধিক গুৰুত্ব আৰোপ কৰা হৈছে। যি আনসকল সাহিত্যিকৰ পৰা ৱালকটক পৃথক কৰিছে।

ৱালকটে কম বয়সতে কবিৰূপে প্ৰতিষ্ঠা অৰ্জন কৰে। ১৯৪৮ত মাথোঁ ১৮ বছৰ বয়সতে তেওঁ 'টুয়েণ্টী ফাইভ প'য়েমছ' নামৰ এখন কবিতা সংকলন প্ৰকাশ কৰে। এই সংকলনে হৈছে তেওঁৰ জীৱনৰ প্ৰথম প্ৰকাশিত কাব্য সংকলন। সংকলনখন ৱালকটে নিজেই প্ৰকাশ কৰিছিল। কবি ৱালকটক ন'বেল জয়ী ভাৰতীয় মূলৰ সাহিত্যিক ভি এছ নাইপ'লেও প্ৰচুৰ প্ৰশংসা কৰিছে। ৱালকটৰ প্ৰথমখন কবিতা সংকলন সম্পৰ্কে নাইপলে আলোচনাও প্ৰকাশ কৰিছে। ত্ৰিনিদাদত স্কুলীয়া শিক্ষা গ্ৰহণ কৰি থকা সময়তে নাইপলে কবিতা সংকলনখন অধ্যয়ন কৰিছিল।

ৱালকটৰ আত্মসচেতনতাই তেওঁৰ জীৱনৰ কীৰ্তিস্তম্ভস্বৰূপ 'দ্য স্কুনাৰ ফ্লাইট'ত ব্যক্তিৰূপ লৈছে। ছেবিন নামৰ চৰিত্ৰৰ জৰিয়তে তেওঁ আত্মসচেতনতাক ব্যক্তিৰূপ দিছে। গীত-কবিতাৰ পৰা নিজৰ মাতৃভূমিলৈ ছেবিনৰ যি প্ৰেম, সেয়া প্ৰকৃততে কবিৰ নিজৰ। 'দ্য ফ্লাইট এংকৰ্ছ ইন কেম্ব্ৰিজ হাৰ্বাৰ'ত তেওঁ কৈছে, 'মই কেৱল তোমাকহে ভাল পাইছিলো আৰু সমগ্ৰ বিশ্বখনকো ভাল পাইছিলো। আমাৰ জীৱন সুকীয়া হ'লেও সি কিবা কাৰক হয় নে?'

সাহিত্যৰ ন'বেল বঁটা গ্ৰহণ কৰি দিয়া ভাষণত ৱালকটে কৈছিল, 'কবিতা হৈছে এটা দ্বীপ, যি মূল ভূখণ্ডৰ পৰা আঁতৰি থাকে।' কবিতা সম্পৰ্কে ৱালকট আগবঢ়োৱা এই সংজ্ঞা আজিও সমালোচকসকলৰ চৰ্চাৰ বিষয় হৈ আছে।